# কৃতজ্ঞতা স্বীকাৰ

প্ৰতিবেদন এখন প্ৰস্তুত কৰাতো বৰ এটা সহজ কাম নহয়। সৰ্বপ্ৰথমে আমাক এই অধ্যয়নৰ যোগেদি বিভিন্ন পৰিয়ালৰ ব্যক্তিৰ সৈতে মতবিনিময়ৰ জৰিয়তে শিশুৰ প্ৰতিপালনৰ তথ্য সংগ্ৰহ কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে ঢকুৱাখনা নৰ্মাল স্কুলৰ প্ৰধান শিক্ষক তথা বিদ্যালয় কতৃপক্ষক ধন্যবাদ জনালো। এই অধ্যয়নৰ সুবিধা প্ৰদানৰ লগতে সকলো ধৰণৰ দিহা পৰামৰ্শৰে আমাক উপকৃত কৰা ঢকুৱাখনা নৰ্মাল স্কুলৰ মাননীয়া প্ৰশিক্ষিকা মহোদয়া ড° ৰিমজিম গগৈক বাইদেউক আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জনালো। তেখেতৰ বহুমূলীয়া দিহা পৰামৰ্শৰ আৰু নিৰ্দেশনাৰ বাবেহে প্ৰতিবেদনখন প্ৰস্তুত কাৰ্য সহজসাধ্য হৈ পৰিল।

©asomjob.in

## সূচীপত্ৰ

©asomjob.in


1. আৰম্ভনি
2. অধ্যয়নৰ উদ্দেশ্য
3. অধ্যয়নৰ পদ্ধতি
4. পটভূমি
5. তথ্যৰ বিশ্লেষণ
6. চিত্ৰ
7. প্ৰশ্নসূচী


©asomjob.in

# আৰম্ভণি

## আৰ্থ সামাজিক পেক্ষাপটত শিশুৰ প্ৰতিপালন

আৰ্থ সামাজিক অধ্যয়ন ব্যক্তি বা সমাজ একোখনৰ অৰ্থনৈতিক ক্ৰিয়া কলাপ আৰু সামাজিক জীৱনৰ লগত জৰিত। ব্যক্তি বা সমাজৰ আৰ্থিক অৱস্থা, উপাৰ্জনৰ মূল উৎস, প্ৰচলিত ৰীতি নীতি, প্ৰথা, জীৱন নিৰ্বাহ প্ৰনালী, ভাষা, কৃষ্টি –সংস্কৃতি, শিক্ষাৰ মনদণ্ড আদি সকলো দিশ এই অধ্যয়ণৰ ভিতৰুৱা। ইয়াৰ উপৰিও অৰ্থনৈতিক ক্ৰিয়া কলাপে মানুহৰ সামাজিক জীৱনত কিদৰে প্ৰভাৱ পেলায় সেইবিষয়ে অধ্যয়ণত গুৰুত্ব দিয়া হয়।আৰ্থসামাজিক পেক্ষাপটত আমি ব্যক্তি পৰিয়াল বা সমাজৰ লোক সকলৰ আয়, শিক্ষা, আৰু জীৱিকাৰ লগত তুলনা কৰি নিৰ্ধাৰণ কৰা হয়।

©asomjob.in

এনেধৰণৰ  পেক্ষাপটত শিশুৰ প্ৰতিপালন আৰ্থিক বা সামাজিক ভেদে ভিন্ন হোৱাটো স্বাভাৱিক। গৱেষক সকলে কব খোজে যে শিশুৰ বৃদ্ধি আৰু বিকাশৰ বিভিন্ন দিশৰ লগত আৰ্থ-সামাজিক অৱস্থা পোনপটীয়া ভাৱে জৰিত। ব্যক্তিৰ শিশু অৱস্থাৰ পৰা কৈশোৰ অৱস্থা তথা প্ৰাপ্তবয়স্ক হোৱালৈকে আৰ্থসামাজিক অৱস্থাই ব্যক্তিগত ভিন্নতাৰ প্ৰভাৱ বিস্তাৰ কৰে।নিম্ন আৰ্থসামাজিক অৱস্থাৰ শিশু সকলে মধ্য আৰু উচ্চ আৰ্থ সামাজিক অৱস্থাৰ শিশু সকলতকৈ বহু দিশত কম সা-সুবিধা পায়, যি তেওঁলোকৰ সকলো দিশৰ বিকাশত প্ৰভাৱ পেলায়। অতি নিম্ন আয় যুক্ত পৰিয়ালৰ শিশু সকল পুষ্টিকৰ খাদ্য, বস্ত্ৰ, আৰু নিৰাপদ আশ্ৰয়ৰ অভাৱত ভুগে। তেনে স্থলত উন্নত শিক্ষা লাভৰ পৰা বঞ্চিত হয়।পৰিয়ালৰ আৰ্থিক অৱস্থাৰ ওপৰতেই শিশুৰ আৰেগিক,বৌদ্ধিক,সাংস্কৃতিক,সামাজিক আদি বিকাশ সমূহ ঘাইকৈ নিৰ্ভৰ কৰে।

সমাজ এখন হৈছে ব্যক্তি বা পৰিয়ালৰ সমষ্টি। গতিকে ব্যক্তি বা পৰিয়ালৰ আৰ্থিক অৱস্থাই সমাজ একোখনৰ আৰ্থিক অৱস্থা নিৰ্ধাৰণ কৰে। এখন আৰ্থিকভাৱে দুৰ্বল পিছপৰা সমাজৰ ৰীতি-নীতি,যাতায়ত ব্যৱস্থা,শিক্ষা,সংস্কৃতি উন্নত সমাজৰ পৰা পৃথক হয়। ফলত বৰ্তমানৰ উন্নত সমাজ ব্যৱস্থাৰ লগত ফেৰ মাৰিব নোৱাৰে। এনে সমাজৰ শিশুৱে উচ্চ শিক্ষাৰ কথা চিন্তা নকৰি আধাতে শিক্ষা সমাপ্ত কৰি উপাজৰ্নৰ পথ বাচি লয়।

©asomjob.in

সামাজিক তথা আৰ্থিক দিশৰ প্ৰভাৱ শিশুৰ সামাজিকীকৰণৰ ক্ষেত্ৰতো দেখা যায়। পিছপৰা সমাজৰ শিশুৱে সাধাৰণতে তুলনামূলক ধনী বা উন্নত সমাজৰ শিশু সকলৰ লগত কমকৈ মিলামিচা নাইবা বন্ধুত্ব স্থাপন কৰে। ধনীক শ্ৰেনীৰ শিশু তথা তেওঁলোকৰ পিতৃ মাতৃয়ে আভিজাত্য ৰক্ষা কৰিবলৈ অধিক সচেতন জীৱন যাপন কৰিব লগা হয়। এনে অৱস্থাত প্ৰথম শ্ৰেনীৰ শিশু সকল হীনমন্যতাত ভুগিব পাৰে, যি তেওঁলোকৰ মানসিক বিকাশত নেতিবাচক প্ৰভাৱ পেলাই। এই অধ্যয়নত ওপৰোক্ত দিশসমূহ চালি জাৰি চাই ভিন্ন সামাজিক তথা অৰ্থনৈতিক পৰিৱেশত কিদৰে শিশুৰ প্ৰতিপালন কৰা হয় তাৰ এক আভাষ দিবলৈ চেষ্টা কৰা হৈছে।

# অধ্যয়নৰ উদ্দেশ্য

অৰ্থনৈতিক আৰু সামাজিক পৰিৱেশ স্থান, ব্যক্তি, বা পৰিয়াল ভেদে ভিন্ন হব পাৰে। সেয়েহে আৰ্থ-সামাজিক পেক্ষাপটত শিশুৰ প্ৰতিপালন পদ্ধতিৰ ক্ষেত্ৰতো ভিন্নতা দেখা প্ৰত্যেক সমাজৰে এক নিজস্ব লক্ষ আৰু উদ্দেশ্য থাকে। এই লক্ষ আৰু উদ্দেশ্য সমূহ আগত ৰাখি সমাজ একোখনৰ ভৱিষ্যত শিশু সকলক আন একোখন সমাজৰ পৰা পৃথক ধৰণে প্ৰতিপালন কৰিব পাৰে। আনহাতে অৰ্থনৈতিক দিশৰ পৰাও পৰিয়াল ভেদে শিশুৰ লালন-পালন বেলেগ হয়। সেয়েহে এনে ধৰণৰ অধ্যয়নৰ জৰিয়তে সমাজ ভেদে শিশুৰ প্ৰতিপালনৰ ধনাত্মক আৰু ঋণাত্মক দিশ সমূহ ডাঙি ধৰিবলৈ প্ৰয়াস কৰা হয়।

**এই অধ্যয়নৰ প্ৰধান উদ্দেশ্য সমূহ হ'ল** –

- অধ্যয়ন ক্ষেত্ৰৰ আৰ্থিক অৱস্থাৰ বিষয়ে আহৰণ কৰা। বসবাস কৰা লোকসকলৰ আয়ৰ, বৃত্তি আদিৰ আভাস লোৱা।

©asomjob.in

- অধ্যয়ন ক্ষেত্ৰৰ সামাজিক অৱস্থা, বসবাস কৰা লোকসকলৰ জাতি জনগোষ্ঠী সমূহৰ ৰীতি-নীতি আচাৰ ব্যৱহাৰ, পৰম্পৰা, জৈৱনশৈলী অধ্যয়ন কৰা।

- অভিভাৱক তথা পৰিয়াল সমূহৰ শিশুৰ প্ৰতি থকা দায়বদ্ধকতা সৰ্ম্পৰ্কে অধ্যয়ন কৰা।

©asomjob.in

- শিশুৰ স্বাস্থ্যৰ প্ৰতি সজাগতাৰ বুজ লোৱা।

- অধ্যয়ন ক্ষেত্ৰৰ শিক্ষা ব্যৱস্থা আৰু শিশু সকলৰ শিক্ষা ব্যৱস্থাত অংশগ্ৰহণৰ তথ্য আহৰণ কৰা।

- অধ্যয়ন ক্ষেত্ৰৰ সামগ্ৰীক উন্নয়ন আৰু ইয়াৰ শিশুৰ প্ৰতিপলনত প্ৰভাৱ সৰ্ম্পৰ্কে আভাস লোৱা।

- আৰ্থ-সামজিক পেক্ষাপটত শিশুৰ লালন পালনৰ ভিন্নতা তথা ইয়াৰ প্ৰকৃত কাৰণ সমূহ অধ্যয়ন কৰি, ধনাত্মক আৰু ঋণাত্মক দিশসমূহ চিনাক্ত কৰা।


- আৰ্থিক আৰু সামাজিক ভাৱে পিচপৰা শিশুসকলৰ প্ৰতিপালনৰ ক্ষেত্ৰত হোৱা সমস্যাৰ বিষয়ে আলোচনা কৰা।

# পটভূমি

অধ্যয়ন ক্ষেত্ৰৰ ভৌগোলিক অৱস্থিতি- লখিমপুৰ জিলাৰ অন্তভুক্ত ঢকুৱাখনা হৈছে এটা গুৰুত্বপূৰ্ণ মহকুমা। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সোৱণশিৰি নদীৰ মাজত থকা বিস্তৃত অঞ্চলেই হৈছে ঢকুৱাখনা। ২৭।৬ ডিগ্ৰী উত্তৰ অক্ষাংক্ষৰ পৰা ২৭।২৬ ডিগ্ৰী উত্তৰ অক্ষাংক্ষ আৰু ৯৪।২৪ পূৰ দ্ৰাঘিমাৰ পৰা ৯৪।৪২ পূৰ দ্ৰাঘিমাংশৰ অন্তৰ্গত ভূখণ্ডই হৈছে ঢকুৱাখনা। ঢকুৱাখনাৰ মুঠ পৰিসীমা [illegible]৫ বৰ্গকিলোমিটাৰ

©asomjob.in

ৰাজ্যৰ ভিতৰতে ঢকুৱাখনা এখন পিছপৰা অঞ্চল। মহাবাহু ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ সৰু বৰ উপনৈ সমূহে বাৰিষা ঢকুৱাখনাৰ বহু অঞ্চল বান পানীৰে বুৰাই পেলায়। ফলত বছৰি কৃষক তথা আন লোকসকলৰো খেতি-বাতি, সা-সম্পত্তিৰ ক্ষয় ক্ষতি হয়।




অধ্যয়ন ক্ষেত্ৰৰ বসতি আৰু জনগাঠনি - ঢকুৱাখনা মহকুমাৰ মুঠ জনসংখ্যা হৈছে ২৭৩৮৮৩ জন। ইয়াৰে ৯৫।০৭% শতাংশ লোক গাম্য অঞ্চলত আৰু ৪।৯৩% লোক নগৰ অঞ্চলত বাস কৰে। এই অঞ্চল ভিন ভিন জনগোষ্ঠীৰ লোকৰ সমাহাৰে গঠিত। এই জনগোষ্ঠীসমূহৰ ভিতৰত আহোম,মিচিং,চুটীয়া,কোচ ৰাজবংশী, দেউৰী, নেপালী, বড়ো, কছাৰী, কৈৱৰ্ত, সূত, চাহ-জনগোষ্ঠী, কায়স্থ, ব্ৰাহ্মন, কলিতা, মুছলিম, বিহাৰী, মাৰোৱাৰী, বঙালী আদি অন্যতম। এই সমূহৰ ভিতৰত জনসংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি কেইটামান প্ৰধান জনগোষ্ঠীৰ বিষয়ে আলোচনা কৰা হ'ল।

©asomjob.in

**আহোম জনগোষ্ঠী**- আহোম জনগোষ্ঠী হৈছে অসমৰ এটা গুৰুত্বপূৰ্ণ সম্প্ৰদায়। ঢকুৱাখনা নগৰৰ মধ্যস্থল, ঘিলামৰাৰ বিস্তৃত অঞ্চলত আহোম সকলে বসবাস কৰি আছে। ঢকুৱাখনাৰ সমাজ, সাহিত্য আৰু বৌদ্ধিক দিশত গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰা আহোম সকল তুলনামূলক ভাৱে শিক্ষা-দিক্ষা, সাহিত্য, সামাজিক দিশত আগবঢ়া, আৰু প্ৰধানকৈ ব্যৱসায়, কৃষি, চাকৰি, আদি বৃত্তিৰ লগত জড়িত।

**মিচিং জনগোষ্ঠী**- অসমৰ দ্বিতীয় বৃহত্তম জনগোষ্ঠী তথা অন্যতম ভূমিপুত্ৰ মিচিং সকলে ঢকুৱাখনাৰ নদীপৰীয়া বৃস্তীৰ্ণ অঞ্চলত বাস কৰি আছে। মিচিং জনগোষ্ঠীৰ নিজস্ব ভাষা, উৎসৱ, বিবাহ পদ্ধতি, লোকনৃত্য, আছে। গৰিষ্ঠসংখ্যক মিচিংসকল কৃষিজীৱী। কঠোৰ পৰিশ্ৰমী মিচিং সকলে কৃষিৰ ওপৰিও ব্যৱসায়, চাকৰি আদি বৃত্তিৰ লগতো জড়িত। নদীপৰীয়া পিছপৰা অঞ্চলত বসবাস কৰা হেতু তেওঁলোকৰ যাতায়ত ব্যৱস্থা সূচল নহয়। জীৱন যাপনৰ প্ৰক্ৰিয়া তুলনামূলকভাৱে পিছপৰা।

©asomjob.in

**চুতীয়া জনগোষ্ঠী**- অসমৰ অন্যতম ভূমিপুত্ৰ বড়ো কছাৰী মূলৰ জনগোষ্ঠী চুতীয়াসকলে ঢকুৱাখনাৰ বিভিন্ন অঞ্চলত বসবাস কৰি আছে। ধাৰ্মিক আৰু বৈবাহিক সম্পৰ্কৰ ফলত চুটীয়া সকলৰ পৰা হিন্দু চুটীয়া, আহোম চুটীয়া, মিৰি চুটীয়া, আৰু দেউৰী চুটীয়া হিচাপে ভাগ কৰা হয়।

**কৈৱৰ্ত জনগোষ্ঠী** – ঢকুৱাখনা অঞ্চলৰ অনুসূচিত জাতিৰ অন্তভুক্ত কৈৱৰ্তসকলৰ ঢকুৱাখনাত ১০-১২ খনমান গাওঁ আছে। বিশেষকৈ নৈ পাৰত, মথাউৰি, স্থানত বসতি স্থাপন কৰা কৈৱৰ্তসকলে ঢকুৱাখনাৰ প্ৰতিটো পঞ্চায়তে একোখনকৈ গাওঁ দেখিবলৈ পোৱা যায়।

এনেদৰেই ঢকুৱাখনাৰ বিভিন্ন অঞ্চলত ভিন ভিন জনগোষ্ঠীৰ লোক সকলে প্ৰধানকৈ গাওঁপাতি বসবাস কৰি আছে। সকলোৰে ৰহণ-চহন, সামাজিক ৰীতি-নীতি, প্ৰথা আদি বহু ক্ষেত্ৰত একে যদিও আন বহুক্ষেত্ৰত পৃথক দেখা যায়। তথাপি অনৈক্যতাৰ মাজত ঐক্যৰ নিৰ্দশন ডাঙি ধৰি সকলোৱে মিলাপ্ৰীতিৰে বসবাস কৰি আছে।

©asomjob.in

# অধ্যয়নৰ পদ্ধতি

©asomjob.in

**আৰ্থ-সামাজিক প্ৰেক্ষাপটত শিশুৰ লালন পালন সম্পৰ্কে অধ্যয়ন কৰিবলৈ যাওঁতে ব্যৱহাৰ কৰা পদ্ধতি সমূহ-**

1. দলীয় ভাৱে অধ্যয়ন ক্ষেত্ৰ তথা শিশু প্ৰতিপালন কৰা অভিভাৱকৰ নিৰ্বাচন তথা জৰীপ কৰণ।
2. শিশু লালন-পালন কৰা পৰিয়ালসমূহ যাদৃচ্ছিক বা অনিয়মিত (Random Sampling) প্ৰক্ৰিয়াৰে নিৰ্বাচন কৰা হয়।
3. জৰীপ কৰণৰ বাবে নিৰ্বাচিত প্ৰশ্নসূচী (Questionnaire) প্ৰস্তুত কৰণ।
4. প্ৰশ্নাৱলীৰ প্ৰশ্নসমূহত বহুবিকল্পী (Multiple Choice) পদ্ধতিৰ ব্যৱহাৰ কৰা হৈছে। প্ৰায় উত্তৰ সমূহ হয়-নহয়, আৰু নিৰ্দিষ্ট বিকল্পৰ বাচনি কৰিবলৈ দিয়া হৈছে।
5. শিশুৰ অভিভাৱক তথা শিশুৰ সৈতে পোনপটিয়া সাক্ষাৎকাৰ গ্ৰহণ কৰি তথ্য আহৰণ।
6. ভিন্ন আৰ্থ-সামজিক পৰিৱেশৰ মুঠ ৫ টা পৰিয়ালৰ তথ্য সংগ্ৰহ।
7. তথ্য সমুহ বিশ্লেষণৰ বাবে পৰিসংখ্যা পদ্ধতিৰ ব্যৱহাৰ কৰি গড় আদি উলিওৱা হৈছে।
8. সংগ্ৰহ কৰা তথ্য সমূহৰ বৰ্ননা কৰিবৰ বাবে বাৰ গ্ৰাফ, পাই চাৰ্ট, পলিগন চিত্ৰ আদিৰ ব্যৱহাৰ কৰা হৈছে।


©asomjob.in

# তথ্যৰ বিশ্লেষণ

অধ্যয়ন ক্ষেত্ৰৰ বিভিন্ন অঞ্চলৰ মাজৰ পৰা সংগ্ৰহ কৰা ৫ টা নমুনাৰ পৰা পোৱা তথ্য সমূহৰ বিশ্লেষণ এনেধৰণৰ।

©asomjob.in

## শিশুৰ বয়স




ওপৰৰ চাৰ্ট খনত আমি দেখা পাওঁ যে জৰীপ কৰা শিশু সকলৰ সকলোৱে প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ। প্ৰথম জন শিশুৰ বয়স ১০ বছৰ, ২য় শিশুৰ বয়স ৬ বছৰ, ৩য় শিশুৰ বয়স ৮ বছৰ, ৪ৰ্থ শিশুৰ বয়ৰ ৬ আৰু ৫ম শিশুৰ বয়স ৬ বছৰ।

বিদ্যালয়




©asomjob.in

সংগ্ৰহ কৰা নমুনাৰ পৰা দেখা যায় যে ৬০% শিশু অৰ্থাত ৩ জন শিশু চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ, আৰু ৪০% ২ জন শিশু বেচৰকাৰী বিদ্যালয় যেনে- শংকৰদেৱ বিদ্যালয় আৰু জাতীয় বিদ্যালয়ৰ ছাত্ৰ।

# শ্ৰেনী

| শিশু | শ্ৰেনী |
|---|---|
| ১ম | ৫ |
| ২য় | ১ |
| ৩য় | ১ |
| ৪ৰ্থ | ২ |
| ৫ম | ১ |

©asomjob.in

ওপৰৰ টেবুল খনৰ পৰা আমি জানিব পাৰোঁ যে জৰীপ কৰা শিশু সকলৰ ১জন উচ্চ প্ৰাথমিক আৰু ৪ জন শিশু নিম্ন প্ৰাথমিক বিদ্যলয়ৰ ছাত্ৰ। প্ৰথম জন শিশু ৫ম শ্ৰেনী আৰু ৪ৰ্থ শিশু ২য় শ্ৰেনীৰ পৰিবৰ্তে বাকী সকল প্ৰথম শ্ৰেনীৰ ছাত্ৰ।

©asomjob.in

# পৰিয়ালৰ সদস্য সংখ্যা




জৰীপ কৰা শিশুৰ পৰিয়ালৰ সদস্যৰ সংখ্যা এনেধৰণৰ- প্ৰথম শিশুৰ পৰিয়ালত ৫ জন সদস্য, ২য় শিশুৰ পৰিয়ালত ৬ জন সদস্য, ৩য় শিশুৰ পৰিয়ালত ১০ জন সদস্য, ৪ৰ্থ শিশুৰ পৰিয়ালত ৫ জন সদস্যৰ বিপৰীতে ৫ম শিশুৰ সদস্য ৬ জন। পৰিয়াল সমূহৰ তথ্যৰ পৰা জানিব পাৰি যে সকলোকেইটি পৰিয়ালেই যৌথ পৰিয়াল।

# বৃত্তি

| শিশু | পিতৃৰ বৃত্তি | মাতৃৰ বৃত্তি |
| --- | --- | --- |
| ১ম | খেতিয়ক | শিপিনী |
| ২য় | ব্যৱসায়ী | শিপিনী |
| ৩য় | খেতিয়ক | গৃহিনী |
| ৪ৰ্থ | খেতিয়ক | গৃহিনী |
| ৫ম | ব্যৱসায় | শিক্ষয়িত্ৰী |

©asomjob.in

দেখা যায় যে জৰীপ কৰা পৰিয়ালৰ প্ৰায় শিশুৱে পিতৃ-মাতৃ খেতি-বাতি তথা হস্ত শিল্প বোৱা কটা লগত জড়িত। ২য় আৰু৫ম শিশুৰ পিতৃ ব্যৱসায়ী হোৱাৰ পৰিৱৰ্তে ৫ম শিশুৰ মাতৃ এগৰাকী চৰকাৰী চাকৰিয়াল। ওপৰোক্ত তথ্যৰ পৰা জানিব পাৰি যে ঢকুৱাখনা অঞ্চলটো এক কৃষি প্ৰধান অঞ্চল। ইয়াৰ প্ৰায় সংখ্যক লোকেই ঘাইকৈ খেতি-বাতি তথা বোৱা-কটা কাৰ্যৰ লগত জড়িত।

# শিশুৰ চোৱাচিতা কৰা ব্যক্তি

| শিশু | পিতৃ | মাতৃ | আন |
| --- | --- | --- | --- |
| ১ম | | মাতৃ | |
| ২য় | | মাতৃ | |
| ৩য় | | মাতৃ | |
| ৪ৰ্থ | | মাতৃ | |
| ৫ম | | মাতৃ | |

©asomjob.in

দেখা যায় যে প্ৰত্যেকজন শিশুৰ চোৱাচিতাৰ দায়িত্ব মাতৃৰ ওপৰতে নিৰ্ভৰ কৰে। পিতৃ সাধাৰণতে দিনৰ বেছিভাগ সময় ঘৰৰ পৰা বাহিৰত থাকে। শিশু অধিকাংশ সময় মাকৰ লগত থাকে।

# শিশুৰ স্বাস্থ্যৰ প্ৰতি যতন

©asomjob.in







©asomjob.in

দুয়োখন পাই চিত্ৰৰ পৰা এটা কথা স্পষ্ট যে প্ৰায় সকলো পৰিয়ালেই শিশুৰ স্বাস্থ্যৰ প্ৰতি সজাগ আৰু সচেতন। ৮০% শিশুৰ পিতৃ-মাতৃ শিশুৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষা কৰাৰ বিপৰীতে ২০% শিশুৰ পিতৃ-মাতৃয়ে কেৱল বেমাৰ বা তেনে কোনো প্ৰয়োজন হ'লে স্বাস্থ্য পৰীক্ষা কৰাই। আনহাতে টিকাকৰণৰ ক্ষেত্ৰত প্ৰত্যেকজন শিশুৰ পৰিয়ালেই সময়মতে টিকাকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা দেখা গৈছে। ১০০% শিশুৰ সময়মতে টিকাকৰণ কৰা দেখা গৈছে।

# শিশুৰ আহাৰ




অধ্যয়নৰ পৰা দেখা যায় যে শিশুৰ আহাৰৰ ক্ষেত্ৰত পিতৃ-মাতৃ বা পৰিয়ালে বিশেষ ভাৱে যতন লয়। পুষ্টিকৰ আহাৰ যেনে গাখীৰ, ফলমূল প্ৰয়োজন অনুসৰি নিৰামিষ আহাৰ যোগান ধৰা হয়।

©asomjob.in

# শিশুৰ বিদ্যালয় যাতায়ত

| শিশু | পিতৃৰ লগত | মাতৃৰ লগত | স্কুল বাচত |
|---|---|---|---|
| ১ম | | | স্কুল বাচত |
| ২য় | পিতৃ | | |
| ৩য় | পিতৃ | | |
| ৪ৰ্থ | | মাতৃ | |
| ৫ম | পিতৃ | | |

যাতায়তৰ ক্ষেত্ৰত সৰহ সংখ্যক শিশু পিতৃৰ লগত বিদ্যালয়লৈ যায়। এজন শিশু স্কুল বাচত যোৱাৰ পৰিৱৰ্তে ৪ৰ্থ শিশু মাতৃৰ সৈতে স্কুললৈ অহ যোৱা কৰে। নিচেই সৰু অৱস্থাতে নিম্ন প্ৰাথমিক পৰ্যায়ৰ শিশু ২য়, ৩য়, ৪ৰ্থ, আৰু ৫ম শিশুক পিতৃ-মাতৃয়ে নিজেই অনানিয়া কৰে। ১ম শিশু যিহেতু তুলনামূলকভাৱে কিছু ডাঙৰ উচ্চ প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ, সেয়েহে স্কুল বাচত অহা যোৱা কৰিবলৈ দিয়া দেখা যায়।

©asomjob.in

©asomjob.in

# শিশুৰ পঢ়াৰ খতিয়ানৰ ক্ষেত্ৰত অভিভাৱকৰ ভূমিকা

## শিশুৰ নিয়মীয়া পঢ়াৰ যতন

| শিশু | পঢ়াৰ খতিয়ান লোৱা হয় | পঢ়াৰ খতিয়ান লোৱা নহয় | কেতিয়াবা লোৱা হয় |
|---|---|---|---|
| ১ম | ✓ | | |
| ২য় | ✓ | | |
| ৩য় | | | ✓ |
| ৪ৰ্থ | ✓ | | |
| ৫ম | ✓ | | |

©asomjob.in

## শিশুৰ পঢ়াৰ সময়



# শিশুৰ ৰিপৰ্ট কাৰ্ড পৰীক্ষণ

| শিশু | ৰিপৰ্ট কাৰ্ড পৰীক্ষণ কৰা হয় | ৰিপৰ্ট কাৰ্ড পৰীক্ষণ কৰা নহয় | কোনো ধাৰণা নাই |
|---|---|---|---|
| ১ম শিশু | | | ✓ |
| ২য় শিশু | ✓ | | |
| ৩য় শিশু | ✓ | | |
| ৪ৰ্থ শিশু | ✓ | | |
| ৫ম শিশু | ✓ | | |

©asomjob.in


শিশুৰ পঢ়াৰ ক্ষেত্ৰত তালিকা সমূহৰ পৰা দেখা যায় যে, অভিভাৱক সকলে বিশেষ ভাৱে গুৰুত্ব প্ৰদান কৰে। ৪ জন শিশুৰ পিতৃ-মাতৃয়ে নিতৌ সন্তানৰ লিখা পঢ়াৰ খতিয়ান লয় আৰু কেৱল ১জন শিশুৰ পিতৃ-মাতৃয়েহে কেতিয়াবা লয়। একেবাৰে খতিয়ান নোলোৱা অভিভাৱকৰ সংখ্য শূন্য।

পঢ়াৰ সময়ৰ ক্ষেত্ৰত ২ জন শিশুৱে দিনত প্ৰায় ২ ঘণ্টা আৰু ২ জন শিশুৱে দিনত প্ৰায় ৩ ঘণ্টা ধৰি অধ্যয়ন কৰে।

ৰিপৰ্ট কাৰ্ড পৰীক্ষণৰ ক্ষেত্ৰত ১ জন শিশুৰ পিতৃ-মাতৃয়ে মতামত দিয়ে যে ৰিপৰ্ট কাৰ্ডৰ বিষয়ে তেওঁলোকৰ কোনো ধাৰণা নাই, আৰু ৪ জন শিশুৰ পিতৃ-মাতৃয়ে সময়মতে ৰিপৰ্ট কাৰ্ড পৰীক্ষণ কৰে, আৰু শিশুৰ শিক্ষাৰ প্ৰতি নজৰ ৰাখে।

©asomjob.in

# বিদ্যালয় আৰু অভিভাৱকৰ সম্পৰ্ক





বিদ্যালয় আৰু অভিভাৱকৰ সু-সম্পৰ্ক পৰিলক্ষিত হয়। ৮০% শিশুৰ পিতৃ-মাতৃয়ে নিয়মীয়া ভাৱে বিদ্যালয়ৰ অভিভাৱক সভাত অংশগ্ৰহণ কৰে। কেৱল ২০% শিশুৰ অভিভাৱকে অনিয়মিতভাৱে মাজে সময়ে অংশগ্ৰহণ কৰা দেখা যায়।


©asomjob.in

# সহ:পাঠ্যক্ৰমিক ক্ৰিয়া কলাপৰ ক্ষেত্ৰত শিশুৰ অংশগ্ৰহণ

©asomjob.in



# নৃত্য গীত আদি সহ:পাঠ্যক্ৰমিক ক্ৰিয়া শিক্ষাৰ ব্যৱস্থা




©asomjob.in

সহ:পাঠ্যক্ৰমিক ক্ৰিয়া কলাপ যেনে- খেল ধেমালীৰ ক্ষেত্ৰত শিশুৰ বাবে ঘৰতে খেলাৰ ব্যৱস্থা কৰা হয়। অভিভাৱকে বিভিন্ন খেলা সামগ্ৰী কিনি আনি ঘৰতে শিশুক খেলিবৰ বাবে উৎসাহ প্ৰদান কৰা দেখা যায়। আনহাতে কলা শিক্ষাৰ ক্ষেত্ৰত কোনো এজন শিশুকে সংগীত, নৃত্য বা এনে আন আন বিষয়ৰ শিক্ষাৰ বাবে কোনো ব্যৱস্থা প্ৰদান কৰা দেখা নাযায়। ১০০% অভিভাৱকে এই ক্ষেত্ৰত উদাসীন মনোভাৱ দেখা যায়।


# শিশুক শাস্তি প্ৰদান কৰাৰ ধৰণ

| শিশু | শাস্তি প্ৰদান কৰা হয়/শাস্তিৰ প্ৰকাৰ | শাস্তি প্ৰদান কৰা নহয় |
|---|---|---|
| ১ম | | নহয় |
| ২য় | হয়।/ আঠুকঢ়া, কোব দিয়া | |
| ৩য় | হয়।/ আঠুকঢ়া, কোব দিয়া | |
| ৪ৰ্থ | | নহয় |
| ৫ম | | নহয় |

©asomjob.in

তালিকাৰ পৰা দেখা যায় যে শিশুক ঘৰুৱা ভাৱে অবাধ্য হলে কিছুপৰিমানে শাস্তি প্ৰদান কৰা হয়। ২ জন শিশুৰ পিতৃ-মাতৃয়ে আঠুকঢ়া, কোব দিয়া আদি শাস্তি প্ৰদান কৰা বিপৰীতে ৩ জন শিশুৰ অভিভাৱকে কোনো ধৰণৰ শাস্তি প্ৰদান নকৰে। কোনো কথাত শিশু অবাধ্য হলে মৰমেৰে বুজাই দিয়া হয়।

## ঘৰুৱা শিক্ষকৰ ব্যৱস্থা




©asomjob.in

জৰীপ কৰা শিশু সকলৰ অভিভাৱকে কোনো ধৰণৰ গৃহ শিক্ষকৰ ব্যৱস্থা কৰা দেখা নাযায়।

## শিক্ষা ব্যৱস্থাৰ প্ৰতি অভিভাৱকৰ মনোভাৱ

| শিশু | উন্নত | মধ্যম | নিম্ন |
|---|---|---|---|
| ১ম | | | ✓ |
| ২য় | ✓ | | |
| ৩য় | ✓ | | |
| ৪ৰ্থ | ✓ | | |
| ৫ম | ✓ | | |

বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি অভিভাৱকৰ মনোভাৱ ধনাত্মক দেখা যায়। ৪ জন শিশুৰ পিতৃ-মাতৃয়ে শিক্ষা ব্যৱস্থাৰ মানদণ্ড উন্নত বুলি মতামত দিয়ে, আৰু ১ জন শিশুৰ অভিভাৱকে নিম্নমানৰ বুলি মতামত প্ৰদান কৰে।

# ফলাফল

অধ্যয়ন ক্ষেত্ৰৰ তথ্যৰ পৰা দেখা যায় যে, ঢকুৱাখনা অঞ্চলটো  এক বৃহৎ অঞ্চল। বিভিন্ন জাতি জনগোষ্ঠীৰ বাসস্থান এই অঞ্চল বিশেষকৈ কৃষি কাৰ্যৰ ওপৰত নিৰ্ভৰশীল। কৃষিৰ ওপৰিও ব্যৱসায় বানিজ্য চাকৰি আদি কাৰ্যৰ লগতো কিছু সংখ্যক লোক জড়িত। সমাজ ব্যৱস্থা পিতৃ প্ৰধান।পৰিয়াল সমূহৰ অধিক সংখ্যকে যৌথ পৰিয়াল। শিশুৰ চোৱাচিতাৰ বাবে বিশেষকৈ মাকৰ ওপৰত নিৰ্ভৰশীল। ঘৰত অধিকাংশ সময় শিশু মাকৰ লগত থাকে। জীৱিকাৰ বাবে পিতৃ সৰহখিনি সময় ঘৰৰ বাহিৰত থাকে। অধিকাংশ অভিভাৱক শিশুৰ স্বাস্থ্যৰ প্ৰতি সচেতন। সময়মতে শিশুৰ স্বাস্থ্যৰ পৰীক্ষা কৰা হয়। কিছুসংখ্যক অভিভাৱকে শিশুৰ বেমাৰ আজাৰ হলে চিকিৎসকৰ সহায় লয়। উল্লেখযোগ্য যে শিশুৰ টিকাকৰণ সময়মতে কৰোৱা হয়। শিশুক সুষম আহাৰ প্ৰদানৰ চেষ্টা কৰে। পুষ্টিকৰ খাদ্য যেনে ফলমূল, গাখীৰ, কনী, মাছ আদি যোগান ধৰা হয়। শিক্ষা গ্ৰহণৰ বাবে শিশুক উপযুক্ত সময়ত বিদ্যালয়ত নামভৰ্তি কৰা হয়। নিকটৱৰ্তী চৰকাৰী প্ৰাথমিক বিদ্যালয় আৰু আন বেচৰকাৰী বিদ্যালয়ত শিশুৰ পঢ়াৰ ব্যৱস্থা কৰা হয়। শিশু বিদ্যালয়লৈ পিতৃমাতৃৰ লগত অহা যোৱা কৰে। কিছু সংখ্যৰ বাবে শিশু স্কুলবাচৰ সুব্যৱস্থা কৰা  পৰিলক্ষিত হয়। অভিভাৱক সকলে শিশুৰ নিতৌ পঢ়াৰ যতন লয়। গৃহকাৰ্য সমূহ কৰাত সহায় কৰে। দিনে ২\৩ ঘন্টা সময় শিশুক ঘৰত পঢ়াৰ বাবে সময় দিয়া হয়। বিদ্যালয় ৰিপৰ্ট কাৰ্ড প্ৰায় অভিভাৱকে সময়মতে চোৱাচিতা কৰে, আৰু শৈক্ষিক অগ্ৰগতিৰ তত্বাৱধান লয়।বিদ্যালয়ত আয়োজন কৰা অভিভাৱক সভা সমিতিত অংশগ্ৰহন কৰে। সহপাঠ্যক্ৰমিক কাৰ্যকলাপৰ প্ৰতি পিতৃ মাতৃ সকল কিছুক্ষেত্ৰত অসচেতন যেন দেখা যায়।শিশু সকলক কোনো ধৰণৰ ক্ৰীড়াৰ প্ৰশিক্ষণ দিয়া নহয়। অৱশ্যে ঢকুৱাখনা অঞ্চলত বৰ্তমানলৈকে এনে ধৰণৰ প্ৰশিক্ষণ বিদ্যালয় স্থাপন কৰা হোৱা নাই। অভিভাৱকে ঘৰতে খেলধেমালী কৰাৰ বাবে উৎসাহ প্ৰদান কৰে।আনহাতে বেছিসংখ্যক শিশুকে নৃত্যগীত আদিৰ শিক্ষনৰ ব্যৱস্থা কৰা দেখা নাযায়। দুই এখন আৰ্ট বা আন ক'লা সমূহৰ বিদ্যালয় আছে যদিও ৫ম ৬ষ্ঠ শ্ৰেনীৰ উচ্চ প্ৰাথমিক বা মাধ্যমিক বিদ্যালয়ৰ শিশুক এই সমূহত নামভৰ্তি কৰা দেখা যায়। অধিকাংশ সময় শিশুক মৰম চেনেহৰ মাজতে ৰখা হয় যদিও কোনো কথাৰ অবাধ্য হলে সৰু সুৰা দুই এটা শাস্তি প্ৰদান কৰা হয়। যেনে আঠুকঢ়াই থোৱা, কাণত ধৰোৱা আদি। প্ৰাথমিক পৰ্যায়ত শিশুৰ বাবে কোনো ধৰণৰ ঘৰুৱা শিক্ষকৰ ব্যৱস্থা কৰা দেখা নাযায়। বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি অধিকাংশ অভিভাৱকে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁলোকে ভাৱে যে বৰ্তমানৰ শিক্ষা ব্যৱস্থাই তেওঁলোকৰ শিশুৰ সকলো দিশৰ বিকাশ সাধনৰ বাবে উপযোগী।

©asomjob.in

# সামৰণি

জৰীপ অধ্যয়নৰ পৰা এটা কথা পৰিস্ফুত হয় যে ঢকুৱাখনা অঞ্চলটো এক পিছপৰা অঞ্চল। আৰ্থিক সামাজিক ভাৱে এক উন্নয়নশীল এক সমাজ ব্যৱস্থা। কিন্তু ইয়াৰ ইয়াৰ প্ৰভাৱ শিশুৰ প্ৰতিপালন তথা জীৱনশৈলীৰ ওপৰত দৃশ্যমান।তথাপি শিশুসকলক পিতৃ মাতৃ সকলে যথেষ্ঠ মৰম চেনেহ যতনৰ মাজেৰে ডাঙৰ দীঘল হয়। পিতৃ মাতৃয়ে নিজে নাখাই শিশুক পুষ্টিকৰ খাদ্যৰ যোগান ধৰে। লিখা পঢ়া শিকোৱাৰ বাবে সামৰ্থ অনুযায়ী চেষ্টা কৰে। ই এই অঞ্চলৰ সুন্দৰ ভৱিষ্যতৰ সম্ভাৱনা বহন কৰে।

# সাক্ষাৎকাৰ প্ৰশ্নসূচী

1. পিতৃৰ নাম-
................................................................................................................................
2. মাতৃৰ নাম-
................................................................................................................................
3. শিশুৰ নাম-
................................................................................................................................
4. শিশুৰ বয়স- ..............................................
5. শিশুৰ বিদ্যলয়ৰ নাম-
...................................................................................................................
6. শ্ৰেণী- ..........................................
7. পৰিয়ালৰ সদস্যৰ সংখ্যা- ...................................................
8. ঠিকনা-.........................গাওঁ .........................মহকুমা............................

   জিলা..........................অসম।

©asomjob.in

9. দূৰভাষ-.......................................
10. পিতৃৰ বৃত্তি...............................................................
11. মাতৃৰ বৃত্তি................................................
12. শিশুটিৰ চোৱাচিতা কোনে কৰে?

    পিতৃ .................... মাতৃ.....................ঘৰৰ আন সদস্য.....................ধাই.......................

13. দিনৰ বেছি ভাগ সময় শিশুটিৰ লগত কোন থাকে?
    পিতৃ .................... মাতৃ.....................ঘৰৰ আন সদস্য .................... ধাই....................
14. শিশটিৰ স্বাস্থ্যৰ পৰীক্ষা সময়মতে কৰোৱা হৈছে নে?
    হৈছে.................নাইহোৱা................ বেমাৰ হলে কৰা হয়.....................
15. শিশুটিৰ টিকাকৰণ সময়মতে কৰা হৈছে নে?
    হৈছে.................... নাই হোৱা....................
16. শিশুটিৰ আহাৰৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হয় নে?
    হয়................. নহয়...................
17. শিশুক কেনেধৰণৰ আহাৰ প্ৰদান কৰা হয়?
......................................................................................................................................
18. শিশুয়ে বিদ্যালয়লৈ কেনেদৰে যায়?
    পিতৃৰ লগত........................মাতৃৰ লগত.......................স্কুল
    বাচত.................চাইকেলত..................
19. শিশুটিৰ নিতৌ পঢ়াৰ খতিয়ান লোৱা হয় নে?
    হয়.................. নহয়................ কেতিয়াব লোৱা হয়
20. শিশুক ঘৰত কিমান সময় পঢ়িবলৈ দিয়া হয়।
    ২ ঘণ্টা.............. ৩ ঘণ্টা....................... ৪ ঘণ্টা................ ৫ ঘণ্টা.......................
21. শিশুৰটিৰ বিদ্যালয়ৰ ৰিপ'ৰ্ট কাৰ্ড পৰীক্ষা কৰা হয় নে?
    হয়..................... নহয়.................... কোনো ধৰণা নাই..................
22. বিদ্যালয়ৰ অভিভাৱক সভাত নিয়মীয়াকৈ অংশগ্ৰহণ কৰে নে?
    কৰে................... নকৰে................. কেতিয়াবা যোৱা হয়................
23. শিশুক কোনো খেলধেমালিত অংশগ্ৰহণৰ সুবিধা দিয়া হৈছে নেকি?

হৈছে.......................নাই দিয়া.................. ঘৰতে খেলে.......................

24. শিশুক কোনো সংগীত বাদ্য আৰ্ট যোগসন আদিৰ বিদ্যালয়লৈ পঠোৱা হৈছে নেকি?

পঠাইছে..................... নাইপঠোৱা.................... ভৰা হৈছে

25. শিশুক কেতিয়াবা কোনো ভুলৰ বাবে শাস্তি প্ৰদান কৰা হয় নে?

হয়....................... নহয় ......................মৰমেৰে বুজাই দিয়া হয়................

26. যদি শাস্তি প্ৰদান কৰা হয়, কেনেধৰণৰ শাস্তি দিয়া হয়?

কোব দিয়া, আঠু কঢ়াই থোৱা............... নিন্দা কৰা গালি গলাজ কৰা................আহৰ গ্ৰহনৰ পৰা বিৰত ৰখা..................

27. শিশুক বিদ্যালয়ৰ উপৰি আন ঘৰুৱা শিক্ষকৰ ব্যৱস্থা কৰা হৈছে নিকি?

হৈছে................... নাই হোৱা........................

28. বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ ওপৰত অভিভাৱকৰ মতামত।

অতি উন্নত.................... উন্নত ................মধ্যমীয়া ....................নিম্ন মানৰ

©asomjob.in